# গোৱালপাৰা মহাবিদ্যালয়ত 'প্ৰাক্তন সতীৰ্থ সমাৰোহ'

<u>নিজা বাতৰি দিওঁতা</u>

গোৱালপাৰা, ১৯ মে' ঃ ১৯৫৫ চনতে স্থাপন কৰা গোৱালপাৰা মহাবিদ্যালয়ত অহা ২১ মে'ত অনুষ্ঠিত হ'ব 'প্ৰাক্তন সতীৰ্থ সন্মিলন'। মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ জ্যোতিষ দাসক সভাপতি হিচাপে লৈ ইতিমধ্যে 'গোৱালপাৰা মহাবিদ্যালয় সতীৰ্থ সংস্থা' গঠন কৰি ব্যাপক আয়োজন আৰম্ভ হৈছে। দেশ-বিদেশত সিঁচৰতি হৈ থকা একালৰ ছাত্ৰসকলে সন্মিলনলৈ পূৰ্ণ সমৰ্থন জনাই বেছিসংখ্যকেই যোগদানৰ নিশ্চিতি প্ৰদান কৰিছে। শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠানৰ লগতে এখন স্মাৰক গ্ৰন্থ প্ৰকাশৰ বাবে সাজু হৈছে।